# গান্ধীৰ দৰ্শনত সত্য আৰু অহিংসাৰ ধাৰণা

শ্ৰীঅসীম স্বৰ্গীয়াৰী,

জাতিৰ পিতা ৰূপে খ্যাত মোহনদাস কৰমচাঁদ গান্ধী আছিল এজন সমাজবাদী আৰু মানৱতাবাদী দাৰ্শনিক। তেওঁ নিজৰ জীৱনত কোনো দাৰ্শনিক তত্ত্বৰ প্ৰয়োগ কৰা নাছিল। গান্ধীয়ে নিজৰ জীৱনো কিছুমান মৌলিক আদৰ্শৰ লগত সামঞ্জস্য ৰাখি চলাইছিল। তেওঁৰ সন্মুখত উদ্ভৱ হোৱা যিকোনো সমস্যাক তেওঁ নিজৰ নৈতিকতাৰ আদৰ্শৰে সমাধানৰ চেষ্টা কৰিছিল। মহাত্মা গান্ধী এজন প্ৰকৃত কৰ্মযোগী আছিল। ভগ্ৱদ গীতাত উল্লেখিত —‘কৰ্মই ধৰ্ম’ কথাষাৰে গান্ধীৰ জীৱনত গুৰুত্বপূৰ্ণভাৱে প্ৰভাৱ বিস্তাৰ কৰিছিল। গীতাৰ আদৰ্শৰে গান্ধীয়ে বিশ্বৰ মানৱক উদ্বুদ্ধ কৰাৰ চেষ্টা কৰিছিল। গতিকে, দেখা যায় যে গান্ধীজীয়ে যদিও দৰ্শনৰ সমস্যাৰাজিক তত্ত্ববিদ্যাৰ দৃষ্টিৰে পৰ্যালোচনা কৰা নাই, তথাপি তেওঁৰ সত্য, অহিংসা, মানৱতাবাদ আদি ধাৰণাবোৰৰ দৰ্শনৰ জগতত এক মহৎ তাৎপৰ্য আছে। সেয়ে সাম্প্ৰতিক কালৰ ভাৰতীয় দৰ্শনত তেওঁকো এজন দাৰ্শনিকৰূপে স্বীকৃতি দিয়া হৈছে।

**সত্য সম্পৰ্কে গান্ধীৰ মতবাদ ঃ**

গান্ধীদৰ্শন ভাৰতীয় সংস্কৃতি তথা পৰম্পৰাৰ ওপৰতে প্ৰতিষ্ঠিত। সত্য, অহিংসা আৰু ঈশ্বৰ, এই তিনিটাই হৈছে গান্ধীদৰ্শনৰ মুখ্য ধাৰণা।

সাধাৰণ বিশ্বাস অনুসৰি সত্য হৈছে মিছা কোৱাৰ পৰা বিৰত থকা আৰু কোনো গোপনীয়তা নৰখা। কিন্তু, গান্ধীজীৰ মতে, সত্যৰ এনে ৰূপ হ’ল আংশিক। গান্ধীৰ সত্য সম্পৰ্কীয় ধাৰণা সাধাৰণ ধাৰণাতকৈ ব্যাপক আৰু গভীৰ। গান্ধীৰ মতে সত্যই হৈছে ঈশ্বৰ, ঈশ্বৰেই কেৱল মাত্ৰ বাস্তৱ, বাকী সকলোবোৰ সীমাবদ্ধ আৰু অবাস্তৱ।

গান্ধীয়ে প্ৰথমতে ‘ঈশ্বৰেই সত্য’ বুলি মত পোষণ কৰিছিল কিন্তু পাছলৈ গান্ধীজীয়ে নিজৰ মত সলনি কৰি কয় যে ‘সত্যই ঈশ্বৰ’। তেওঁৰ নিজৰ মত পৰিৱৰ্তনৰ আঁৰত যথেষ্ট কাৰণ আছে। প্ৰথমতে, গান্ধীজীয়ে ‘সত্য’ শব্দটো ‘ঈশ্বৰ’ৰ নিচিনাকৈ অনেকাৰ্থক ভাৱে গ্ৰহণ কৰা নাই। ঈশ্বৰক বিভিন্নজনে বিভিন্ন অৰ্থত বৰ্ণনা কৰে। কোনোবাই ঈশ্বৰ এক বুলি কয়, আকৌ কোনোবাই দ্বৈত বা কোনোবাই ঈশ্বৰ বহুত

বুলি কয়। বহুতৰ মতে, ঈশ্বৰ নিৰ্গুণ আৰু বহুতৰ বাবে ঈশ্বৰ সগুণ। কিন্তু গান্ধীজীৰ মতে 'সত্য' বুলি ক'লে সকলোৰে কাৰণে একেই। ই কেতিয়াও পৰিৱৰ্তিত নহয়। দ্বিতীয়তে, গান্ধীজীয়ে কয়, ঈশ্বৰক যুক্তিৰে স্বীকাৰ বা অস্বীকাৰ কৰিব পাৰি। ঈশ্বৰবাদীসকলৰ বাবে ঈশ্বৰৰ অস্তিত্ব আছে আৰু নিৰীশ্বৰবাদীসকলৰ বাবে ঈশ্বৰৰ কোনো অস্তিত্ব নাই। কিন্তু, গান্ধীজীৰ সতে 'সত্য'ক ঈশ্বৰবাদী আৰু নিৰীশ্বৰবাদী সকলোৱেই মানি লয়। সত্য হ'ল সাৰ্বজনীন আৰু ব্যাপক। সত্যৰ ওপৰত গান্ধীজীৰ অগাধ বিশ্বাস আছিল। সেয়ে গান্ধীজীয়ে মানৱ জাতিক অন্ধ ধৰ্মীয় বিশ্বাসৰ পৰা সত্যলৈ পৰিৱৰ্তিত হ'বৰ বাবে কৈছে। তেওঁ কৈছে—"I do not care for God if He is anything but truth."[1]

সত্য হৈছে নিত্য আৰু বিৰোধমুক্ত, সেয়ে গান্ধীয়ে সত্যক ঈশ্বৰৰ সৈতে একে বুলি কৈছে। এইক্ষেত্ৰত গান্ধীজীয়ে কৈছে—"ঈশ্বৰৰ প্ৰকাশ যিহেতু বিভিন্ন, সেয়ে ঈশ্বৰৰ সংজ্ঞাও অসংখ্য আছে, সেইবোৰে মোক আশ্চৰ্য আৰু আনুগত্য মিশ্ৰিত ভয়েৰে আৱৰি ৰাখে আৰু এক মুহূৰ্তৰ বাবেও বিমোৰত পেলায়। কিন্তু মই ঈশ্বৰক সত্য ৰূপেই উপাসনা কৰোঁ।"[২] আকৌ তেওঁ আন এঠাইত কৈছে—"অহিংসা আৰু সত্যৰ ওপৰতে মোৰ ধৰ্ম প্ৰতিষ্ঠিত। সত্যই হৈছে মোৰ বাবে ঈশ্বৰ আৰু তেওঁক উপলব্ধি কৰাৰ পথত অহিংসাই হৈছে এক উপায়।"[৩]

এইখিনিতে এটা প্ৰশ্নৰ উদয় হয়—যদি সত্য নিত্য তেন্তে গান্ধীয়ে সত্যৰ ওপৰত বিভিন্ন পৰীক্ষা চলাই সত্যৰ ৰূপান্তৰ সাধন কৰিবলৈ কিয় বিচাৰিছে? ইয়াৰ উত্তৰত ক'ব পৰা যায় যে যদিও এজন ব্যক্তিৰ হৃদয়ত সত্য আৰু ভুল একেলগে থাকে, এজন অজ্ঞ লোকে সত্যক সহজে উপলব্ধি কৰিব নোৱাৰে। সত্যৰ পোহৰ পাবলৈ হ'লে, আন্ধাৰৰ আৱৰণ আঁতৰাব লাগিব। গভীৰ চিন্তা আৰু পৰীক্ষাৰ দ্বাৰাহে — অজ্ঞান আন্ধাৰ আঁতৰ কৰিব পাৰি।

সত্য বিশুদ্ধ আৰু মানুহ হ'ল অশুদ্ধ। কিন্তু ধ্যানৰ সহযোগত অশুদ্ধ মানুহে বিশুদ্ধ স্তৰত উপনীত হ'ব পাৰে। সত্যৰ পথ অনুসৰণ কৰি মানুহে লোভ, শত্ৰুতা, হিংসা আদি মনৰ দুৰ্বলতা তথা অনুভূতিবোৰ জয় কৰিব পাৰে। সেয়ে আমাৰ সকলো ধৰণৰ কাম-কাজ সত্যকেন্দ্ৰিত হোৱা উচিত। আমাৰ জীৱনত সত্যহে অপৰিহাৰ্য্য হ'ব লাগে।

গান্ধীৰ মতে, 'সৰ্বোদয়'ৰ ৰূপতেই 'সত্য' মানৱ সমাজত প্ৰকাশিত হয়। 'সৰ্বোদয়' শব্দটো গান্ধীয়েই প্ৰথমে ব্যৱহাৰ কৰে। ইয়াৰ অৰ্থ হৈছে মানৱ মনৰ সকলো ধৰণৰ উন্নতি সাধন। এই উন্নতি কেৱল অৰ্থনৈতিক উন্নতি নহয়। এই উন্নতি হৈছে নৈতিক আৰু আধ্যাত্মিক উন্নতি দুয়োটাই। নৈতিক উন্নতিৰ সাধনেহে অৰ্থনৈতিক উন্নতিৰ সাধন কৰিব। গান্ধীজীৰ মতে, শত্ৰুৰ অন্তৰতো সত্য থাকে। নিঃস্বাৰ্থ প্ৰেমৰ দ্বাৰা শত্ৰুৰ অন্তৰ জয় কৰিব পাৰি।

**অহিংসা সম্পৰ্কে গান্ধীৰ মতবাদ ঃ**

আক্ষৰিক অৰ্থত 'অহিংসা' শব্দৰ অৰ্থ হৈছে হিংসা কৰাৰ পৰা বিৰত থকা। হিংসা কৰাৰ পৰা বিৰত থকা মানে কাকো আঘাত নিদিয়া বা হত্যা নকৰা। এই 'অহিংসা'ৰ অৰ্থ বিভিন্নজনে বিভিন্ন ধৰণে দিয়া দেখা পাওঁ। জৈনসকলে 'অহিংসা' শব্দৰ অৰ্থ অতি কঠোৰভাৱে গ্ৰহণ কৰিছে। তেওঁলোকৰ মতে যি কোনো প্ৰাণীকেই আঘাত কৰা বা হত্যা কৰাটো হিংসা আৰু এই 'আঘাত কৰা' আৰু 'হত্যা কৰা' ধাৰণাটো জৈনসকলৰ বাবে মহাপাপ। হিন্দুসকলৰ 'অহিংসা' শব্দৰ অৰ্থটো জৈনসকলতকৈ কিছু পৰিমাণে শিথিল। হিন্দুসকলৰ মতে আহাৰ আৰু পূজাৰ বাবে কৰা প্ৰাণী হত্যা হিংসাৰ ৰূপ নহয়। সেয়ে তেওঁলোকে আহাৰ আৰু পূজাৰ বাবে প্ৰাণী হত্যাক গ্ৰহণ কৰিছে। কিন্তু মহাত্মা গান্ধীয়ে 'অহিংসা' শব্দৰ ক্ষেত্ৰত এক মধ্যম পন্থা অৱলম্বন কৰা দেখা যায়। গান্ধীজীয়ে হিন্দুসকলৰ পূজা আৰু আহাৰৰ বাবে কৰা প্ৰাণী হত্যাক সমৰ্থন কৰা নাই। লগতে জৈনসকলৰ দৰে সকলো অৱস্থাতে, হোৱা হত্যাক পাপ বুলি স্বীকাৰ কৰা নাই। গতিকে গান্ধীজীৰ অহিংসাৰ ধাৰণা আনৰ ধাৰণাতকৈ কিছু পৃথক।

মহাত্মা গান্ধীয়ে অহিংসাৰ দুটা দিশ আছে বুলি কৈছে। এটা হৈছে সদৰ্থক আৰু আনটো হৈছে নঞৰ্থক। আনক হত্যা কৰাটো বা আঘাত কৰাটো হিংসা। গান্ধীজীৰ মতে, হিংসাৰ বিপৰীত হ'ল অহিংসা। গান্ধীজীয়ে লগতে কৈছে যে হিংসাৰ অৰ্থ কেৱল আনক হত্যা কৰা নহয়—আনক দুখ দিয়াও একপ্ৰকাৰৰ হিংসা। ক্ৰোধৰ বশৱৰ্তী হৈ স্বাৰ্থপৰ মনোভাৱেৰে আনক অপকাৰ কৰাই হিংসা। এনে কামৰ পৰা বিৰত থকাটোৱেই অহিংসা।

গান্ধীজীয়ে অহিংসা পালনৰ ক্ষেত্ৰত জৈনসকলৰ সৈতে একমত আছিল কিন্তু জৈনসকলৰ দৰে কঠোৰভাৱেও অহিংসা পালন কৰাৰ কথা কোৱা নাছিল। গান্ধীজীৰ অহিংসাৰ নঞাৰ্থক দিশ অনুসৰি তেওঁ কৈছিল যে কিছুমান ক্ষেত্ৰত হিংসাও অপৰিহাৰ্য। আমাৰ দৈনন্দিন জীৱনত খাওঁতে, উশাহ লওঁতে, ফুৰাচকা কৰোতে কিছু হিংসাত্মক কাৰ্য ঘটিয়ে থাকে। গান্ধীজীয়ে কৈছিল নিজৰ দেহৰক্ষাৰ কাৰণে কিছু পৰিমাণে হ'লেও অন্যদেহৰ ওপৰত আঘাত পৰে। সেয়ে তেওঁ কিছুমান ক্ষেত্ৰত হত্যা অনুমোদনো কৰিছিল। তেওঁ এই সম্পৰ্কে এনেদৰে কয় যে—আমাৰ নিজৰ শাৰীৰিক পুষ্টিৰ বাবে আমি শাক-পাচলি, জীৱ আৰু অন্যান্য বস্তু ব্যৱহাৰ কৰো, শৰীৰৰ বাবে অনিষ্ট বা

আমাৰ আহাৰৰ বাবে অনিষ্ট কিছুমান প্ৰাণীক আমি ব্যাধিনাশক ঔষধেৰে হত্যা কৰিব লগা হয়। কিছু বিশেষ পৰিস্থিতিত অন্য জীৱৰ লগতে মানুহ হত্যা কৰাৰো প্ৰয়োজন আহিব পাৰে। যেনে - যদি কোনো ব্যক্তিয়ে প্ৰাণে মৰা বাবে আন এজন ব্যক্তিৰ পিছ লয় তেন্তে সেই ব্যক্তিজনে নিজৰ জীৱন ৰক্ষা কৰিবৰ বাবে আনজন ব্যক্তিক হত্যা কৰিলে সেয়া পাপ নহয় বুলি গান্ধীয়ে কয়। আত্মৰক্ষাৰ বাবে অন্য ব্যক্তি বা জীৱৰ হত্যা গ্ৰহণযোগ্য বুলি গান্ধীজীয়ে কয়। গান্ধীজীয়ে লগতে এইটোও কয় যে দূৰাৰোগ্য ৰোগত ভূগি থকা ব্যক্তিজনক ঔষধ দি কষ্টৰে জীয়াই ৰখাতকৈ তেওঁক জীৱনৰ পৰা মুক্তি দি দিয়াতো দয়াহে, অন্যায় নহয়। (গান্ধীজীৰ এই ধাৰণা বৰ্তমানৰ প্ৰায়োগিক নীতিশাস্ত্ৰৰ 'কৃপাহত্যা' (Euthensia) ৰ ধাৰণাৰ লগত মিল আছে।) গতিকে দেখা গ'ল যে গান্ধীৰ অহিংসাৰ ধাৰণা জৈনসকলৰ অহিংসাৰ ধাৰণাতকৈ পৃথক।

গান্ধীজীয়ে কোৱা নঞাৰ্থক দিশটোত থকাৰ দৰে আমি জীৱৰ প্ৰতি কেতিয়াবা হিংসা কৰাটো আচলতে হিংসা নহয়। কিন্তু তেওঁ লগতে এইটো কথাও স্পষ্ট কৰি দিছে যে কোনো বিশেষ পৰিস্থিতিত যেনে - খং, অহংকাৰ, ঘৃণা, স্বাৰ্থপৰতা, অসৎ অভিপ্ৰায় আদিৰ বশৱৰ্তী হৈ কোনো জীৱৰ অনিষ্ট সাধন কৰিলে তাক অহিংসা বুলি নকয়। সেয়া এক প্ৰকাৰৰ হিংসাত্মক কাৰ্য হ'ব। গতিকে 'অহিংসা', খং, অহংকাৰ, ঘৃণা, স্বাৰ্থপৰতা আদিৰ পৰা মুক্ত।

গান্ধীজীৰ  অহিংসাৰ নঞাৰ্থক দিশতকৈ সদৰ্থক দিশটো বেছি গুৰুত্বপূৰ্ণ। কিয়নো অহিংসাৰ সদৰ্থক দিশটোৰে কেৱল জীৱক আঘাত দিয়া বা হত্যাৰ পৰা বিৰত থকাটোৰেই কেৱল অহিংসা বুলি নকয়। ইয়াৰ উপৰিও সকলো জীৱৰ প্ৰতি সদৰ্থক মনোভাৱ থকাটোকহে অহিংসা বুলি গান্ধীজীয়ে ক'ব খোজে। সদৰ্থক অৰ্থত 'অহিংসা' শব্দৰ অৰ্থ হৈছে প্ৰেম। সকলোৰে প্ৰতি আমাৰ যেতিয়া প্ৰেম ভাৱৰ উদয় হ'ব তেতিয়া কোনোধৰণৰ হিংসাত্মক কাৰ্যৰ উদ্ভৱ নহ'ব। কিন্তু মনত প্ৰেম ভাৱৰ উদয় হোৱাতো ইমান সহজ নহয়। অহিংসাৰ অভ্যাসৰ বাবে মনটো ক্ৰোধ, ঘৃণা, প্ৰতিশোধ, হিংসা ইত্যাদি সকলোবোৰ অসৎ প্ৰবৃত্তিৰ পৰা সম্পূৰ্ণৰূপে বিৰত থাকিব লাগিব। এইবোৰে প্ৰেমৰ ভাৱ জাগ্ৰত হোৱাত বাধা প্ৰদান কৰে। গান্ধীজীৰ মতে, প্ৰেম হ'ল এনে এটা শক্তি, যিটোৰে মনটো পৱিত্ৰ কৰি মানৱক উন্নত কৰে আৰু প্ৰেমে উপকাৰিতা, ক্ষমা, উদাৰতা, সহানুভূতি, দয়া ইত্যাদি সৎ প্ৰবৃত্তিবোৰ সামৰি লয়।

গান্ধীজীয়ে কৈছিল অহিংসাৰ পথত দৃঢ়ভাৱে আগবাঢ়িব হ'লে অপৰিসীম নৈতিক সাহসৰ প্ৰয়োজন। এই পথ অৱলম্বন কৰিলে সকলো প্ৰকাৰৰ অন্যায় নিপীড়ন আৰু নিৰ্যাতন সহ্য কৰিব পাৰিব লাগিব। নিৰ্যাতনকাৰীক প্ৰেমেৰে হৃদয় পৰিৱৰ্তন কৰি



তেওঁৰ আধ্যাত্মিক উৎকৰ্ষ সাধনত ব্ৰতী হয়। গতিকে অহিংসাই শত্ৰুক অস্ত্ৰ আৰু শক্তিৰ পৰিৱৰ্তে প্ৰেমেৰে অন্তৰ পৰিৱৰ্তন কৰি জয় কৰিব বিচাৰে।

গান্ধীজীয়ে এইটো কথাও স্পষ্টকৈ বুজাই দিছে যে অহিংসা সবলৰ কাৰণেহে, দুৰ্বলীৰ কাৰণে নহয়। গান্ধীজীৰ মতে, হিংসা, দুৰ্বলতাৰ পৰিচায়ক। দুৰ্বল মনোভাৱ পোষণ কৰা ব্যক্তিৰ মনত শত্ৰুৰ পৰা ক্ষতি হোৱাৰ ভয় থাকে সেয়ে তেওঁলোকে সহজতে হিংসাৰ প্ৰতি আকৃষ্ট হয়। দেখাত হিংসাত শক্তি থকাৰ দৰে লাগে কিন্তু ই প্ৰকৃততে ভয়ৰ পৰা উৎপন্ন এক ভ্ৰম। গতিকে আমি অহিংসাৰ সাধনা কৰা উচিত। গান্ধীজীৰ মতে, অহিংসা সকলো মানুহেই অভ্যাস কৰিব পাৰে। শিশু, পুৰুষ, নাৰী, বৃদ্ধ সকলোৱেই সকলো সময়তে যিকোনো পৰিস্থিতিত অভ্যাস কৰিব পাৰে। অহিংসা অভ্যাসৰ বাবে নিৰ্দিষ্ট সময় বা পৰিস্থিতিৰ প্ৰয়োজন নহয়। মাথো অহিংসা অভ্যাসৰ বাবে আৱশ্যক হৃদয়ৰ বিশুদ্ধতা আৰু উদ্দেশ্যৰ আন্তৰিকতা। গতিকে সমাজ, জাতি আৰু অন্যান্য সকলোৱে অহিংসা নীতি গ্ৰহণ কৰিব পাৰে।

কিন্তু অহিংসা অভ্যাসৰ কাৰণে এটা চৰ্তৰ প্ৰয়োজন। সেইটো হৈছে ঈশ্বৰৰ ওপৰত অগাধ আৰু দৃঢ় বিশ্বাস। ঈশ্বৰৰ ওপৰত থকা বিশ্বাসে মানুহৰ অন্তৰত এক আভ্যন্তৰীণ শক্তিৰ সঞ্চাৰ কৰে আৰু ফলত উপলব্ধি কৰিব পাৰে যে—সকলো মানুহ মুখ্যতঃ একে। গতিকে ঈশ্বৰৰ ওপৰত থকা বিশ্বাসেই অহিংসাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ চৰ্ত।

গান্ধীজীৰ মতে, সত্য আৰু অহিংসাৰ মাজত এক অবিচ্ছেদ্য সম্পৰ্ক আছে। সত্যক লাভ কৰাৰ ক্ষেত্ৰত একমাত্ৰ পথ হৈছে অহিংসা। গান্ধীৰ ভাষাত অহিংসা আৰু সত্য হৈছে একেটা মুদ্ৰাৰে দুটা পিঠি। সত্য হৈছে শ্ৰেষ্ঠতম নীতি আৰু অহিংসা হৈছে শ্ৰেষ্ঠতম কৰ্ম। সত্যৰ অবিহনে অহিংসাৰ মূল্য নাই আনহাতে অহিংসাৰ অবিহনে সত্য অসত্যত পৰিণত হয় ("Truth without non-violance is not truth but untruth"– Young India, Vol. II)।

**সহায়ক গ্ৰন্থ ঃ**

১) ড° জ্যোৎস্না ভট্টাচাৰ্য - সমসাময়িক ভাৰতীয় দৰ্শন
২) দিব্যজ্যোতি ফুকন - সমকালীন ভাৰতীয় দৰ্শন।

—×—